
समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ভূগোল

পাঠ - ৯

ভাৰতৰ জলবায়ু, প্ৰাকৃতিক উদ্ভিদ, কৃষি আৰু জনসংখ্যা

অংশ – ৬ (প্ৰশ্ন – উত্তৰ)


জ্যোতি দাস

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


৫। উত্তৰ লিখা— (৮০টা মান শব্দৰ ভিতৰত)

(ক) ভাৰতৰ জলবায়ুৰ ওপৰত দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ প্ৰভাৱ সম্পৰ্কে মানচিত্ৰৰ সহায়ত বুজাই লিখা।



উত্তৰঃ গ্ৰীষ্মকালত কৰ্কটক্ৰান্তি ৰেখাৰ ওপৰত সূৰ্যৰ ৰশ্মি লম্বভাৱে পৰে। ইয়াত বায়ু গৰম হৈ নিম্নচাপৰ সৃষ্টি কৰে। এই অঞ্চললৈ ভাৰত মহাসাগৰৰ পৰা জলীয় ভাপপুষ্ট গধুৰ বায়ু বৈ আহে। এই বতাহৰ এটি সোঁতে অন্ধ্ৰপ্ৰদেশ, উৰিষ্যা আৰু পশ্চিম বংগত প্ৰৱেশ কৰে। আন এটি সোত বাংলাদেশৰ ওপৰেদি পাৰ হৈ অসমত প্ৰৱেশ কৰে। কৰমণ্ডল উপকূলীয় অঞ্চল, অসম, মেঘালয়, অৰুণাচল আদি স্থানসমূহত ইয়াৰ প্ৰভাৱত প্ৰচুৰ বৰষুণ হয়।

আনফালে আৰৱ সাগৰৰ ওপৰেৰে উত্তৰলৈ গতি কৰা বতাহৰ এটি সোঁতে পশ্চিমঘাট পর্বতত খুন্দা মাৰে। এই বতাহৰ প্রভাৱত দক্ষিণ ভাৰতৰ মালাৱাৰ উপকূল, কংকন উপকূল আৰু গুজৰাটৰ উপকূল অঞ্চলত বৰষুণ হয়।



(খ) ভিন ভিন খেতিৰ বাবে ভিন ভিন জলবায়ুৰ প্ৰয়োজন- ব্যাখ্যা কৰা।



উত্তৰঃ জলবায়ুৰ বৈশিষ্ট্য আৰু মাটিৰ গুণাগুণৰ ওপৰত নির্ভৰ কৰি ভাৰতৰ বিভিন্ন অঞ্চলত বিভিন্ন খেতি কৰা হয়। গংগা আৰু ব্ৰহ্মপুত্ৰ নদীৰ উপত্যকা অঞ্চল নদীৰ পলসুৱা মাটিৰে গঠিত। এই অঞ্চলত গ্ৰীষ্মকালত বায়ুৰ উত্তাপ ২৫° চেলচিয়াছৰ অধিক হয়। আনহাতে বৰষুণো ১০০ চেন্টিমিটাৰৰ অধিক। পশ্চিমবংগ, বিহাৰ, উত্তৰ প্ৰদেশ আৰু অসম এই অঞ্চলৰ অন্তগর্ত। ধান এই অঞ্চলৰ প্ৰধান কৃষিজাত সামগ্ৰী।

বৃষ্টিপাত তুলনামূলকভাৱে কম হ'লেও পঞ্জাব আৰু হাৰিয়ানাত জলসিঞ্চনৰ সহায়ত প্ৰচুৰ পৰিমাণে ধান উৎপাদন হয়। ইয়াৰ উপৰি উৰিষ্যাৰ মহানদী উপত্যকা, গোদাবৰী, কৃষ্ণা, কাৱেৰী নদীৰ মোহনা অঞ্চল আৰু কেৰালাত প্ৰচুৰ ধান খেতি কৰা হয়।

পঞ্জাব, হাৰিয়ানা, ৰাজস্থান আৰু উত্তৰ প্ৰদেশত শুকান জলবায়ু আৰু কম বৃষ্টিপাতৰ বাবে ঘেঁহুক মূল কৃষি হিচাপে লোৱা হৈছে। ইয়াৰ বাহিৰেও মধ্যপ্ৰদেশ, বিহাৰ, পশ্চিমবংগ আদি প্ৰদেশতো

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

ঘেঁহু খেতি কৰা হয়।

মধ্য প্ৰদেশ আৰু গুজৰাটৰ দক্ষিণ অংশ, মহাৰাষ্ট্ৰ, অন্ধ্ৰপ্ৰদেশ আৰু কৰ্ণাটকৰ উত্তৰ অংশত অৱস্থিত ক'লা মাটি অঞ্চলত প্ৰচুৰ পৰিমাণে কপাহ খেতি কৰা হয়। ৰাজস্থান, মধ্য প্ৰদেশ, পূব-মহাৰাষ্ট্ৰ, কৰ্ণাটক আৰু অন্ধ্ৰপ্ৰদেশৰ কিছু অংশত জোৱাৰ আৰু বজৰা খেতি কৰা হয়। দক্ষিণ ভাৰতৰ নীলগিৰি অঞ্চলৰ মাটিত কফি আৰু চাহ খেতি কৰা হয়। অসমৰ উত্তৰ

আৰু উত্তৰ-পূব অঞ্চলৰ ওখ এঢলীয়া মাটি, পশ্চিমবংগ, দার্জিলিং আদি অঞ্চলত চাহ খেতি কৰা হয়। বিহাৰ, উত্তৰ প্রদেশ, পঞ্জাব ৰাজ্যৰ কিছু অংশত কুঁহিয়াৰ খেতি কৰা হয়। পশ্চিমবংগ, উৰিষ্যা আৰু অসমত ধানৰ উপৰি মৰাপাট খেতি কৰা হয়। তদুপৰি, মধ্য ভাৰতৰ আটাইকেইখন ৰাজ্যতে বিভিন্ন প্রকাৰৰ মাহ আৰু মছলা জাতীয় শস্যৰ খেতি কৰা হয়। জম্মু-কাশ্মীৰত প্রচুৰ পৰিমাণে কমলা, আপেল, আঙুৰ আদি ফল-মূলৰ খেতি কৰা হয়। সমগ্র পূব আৰু

পশ্চিম উপকূলত নাৰিকলৰ খেতি বহুলভাৱে কৰা হয়।



(গ) মৌচুমীয় উদ্ভিদৰ বাবে কেনেধৰণৰ জলবায়ুৰ প্ৰয়োজন? মৌচুমীয় উদ্ভিদৰ উদাহৰণ দি ভাৰতৰ ক'ত ক'ত সেইবোৰ পোৱা যায় উল্লেখ কৰা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ বছৰি ১০০ চেন্টিমিটাৰৰপৰা ২০০ চেন্টিমিটাৰ বৰষুণ হোৱা আৰু প্ৰায় ২৭° চেলচিয়াছ গড় উষ্ণতা থকা অঞ্চলত মৌচুমীয় উদ্ভিদ পোৱা যায়। বৰ্ষাকালত বৰষুণৰ পৰিমাণ বঢ়াৰ বাবে সেই সময়ছোৱাত এই উদ্ভিদৰো বৃদ্ধি হয়। আনহাতে, শীতকালত মৌচুমীয় অঞ্চলত বৰষুণ আৰু উষ্ণতা কম হয় বাবে মাটি শুকান হৈ যায় আৰু গছৰ পাত সৰি পৰে। সেয়ে ইয়াক পৰ্ণপাতী উদ্ভিদ বুলিও কোৱা হয়। মৌচুমীয় উদ্ভিদৰ উদাহৰণসমূহ হ'ল– শাল, চেগুণ, শিশু,

শিমলু, অর্জুন, বিভিন্ন প্রজাতিৰ বাঁহ মৌচুমীয় অঞ্চলৰ উল্লেখযোগ্য উদ্ভিদ ইত্যাদি।

মৌচুমীয় উদ্ভিদৰ অৰণ্য ভাৰতৰ অধিকাংশ অঞ্চলত পোৱা যায়। অসম, বিহাৰ, পশ্চিমবংগ, উত্তৰ প্রদেশ, হিমাচল প্রদেশ, ছত্তিশগড়, ঝাৰখণ্ড, মধ্যপ্রদেশ, তামিলনাড়ু, পূর্বঘাট, পশ্চিমঘাটকে ধৰি দাক্ষিণাত্য মালভূমিৰ পূব অংশত পোৱা যায়। আন্দামান নিকোবৰ দ্বীপপুঞ্জত কিছু পৰিমাণে মৌচুমীয় উদ্ভিদ পোৱা যায়।

(ঘ) ধানখেতিৰ বাবে কেনেকুৱা জলবায়ুৰ প্ৰয়োজন? ভাৰতৰ ধানখেতি প্ৰধান ৰাজ্যবোৰৰ নাম উল্লেখ কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ ধান খেতিৰ বাবে গ্ৰীষ্ম কালত বায়ুৰ উত্তাপ ২৫° চেলচিয়াছৰ অধিক হ'ব লাগিব। আনহাতে বৰষুণো ১০০ চেন্টিমিটাৰৰ অধিক হ'ব লাগিব।

ভাৰতবৰ্ষত ধান খেতি হোৱা প্ৰধান ৰাজ্যবোৰ হ'ল– পশ্চিম বংগ, বিহাৰ, উত্তৰ প্ৰদেশ, অসম, পঞ্জাব, হাৰিয়ানা, উৰিষ্যাৰ মহানদী উপত্যাকা, গোদাবৰী, কৃষ্ণা, কাবেৰী নদীৰ মোহনা অঞ্চল, কেৰেলা।

(ঙ) জনসংখ্যা বৃদ্ধিয়ে আমাৰ দেশত কি কি সমস্যাৰ সৃষ্টি কৰিছে আলোচনা কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ অত্যাধিক জনসংখ্যা বৃদ্ধি বর্তমান সময়ৰ এক জ্বলন্ত সমস্যা। জনসংখ্যা বৃদ্ধিৰ লগে লগে বসবাসৰ সমস্যা, বনাঞ্চল আৰু কৃষিভূমিৰ পৰিমাণ কমি যোৱাৰ সমস্যা খাদ্য সমস্যা, নিৰনুৱা সমস্যা, দৈনন্দিন জীৱন যাপনৰ সমস্যাকে আদি কৰি বহু সমস্যাৰ সৃষ্টি কৰিছে।